(৩) শিক্ষন সমল নং ঃ ৩

**শ্ৰেণী-সপ্তম**

**বিষয়- সমাজ বিজ্ঞান**

**প্ৰাসংগিক শিকন ঘাটি ঃ**

উত্তৰ-পূৰ ভাৰতৰ কোনখন ৰাজ্য পূৰ্বতে NEFA বুলি জনা গৈছিল?

ক) নাগালেণ্ড খ) মণিপুৰ গ) মেঘালয় ঘ) অৰুণাচল প্ৰদেশ

**শিকন ফলাফল ঃ**

উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ ভৌগোলিক অৱস্থান সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।

**আনুসংগিক শিকন ফলাফল ঃ**

উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ প্ৰাচীন নামৰ বিষয়ে আলোচনা কৰিব পাৰিব। ভাৰতৰ মানচিত্ৰত উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখন চিনাক্ত কৰিব পাৰিব।

**অধ্যায় ঃ**

সপ্তম শ্ৰেণীৰ সংগতিপূৰ্ণ পাঠ ৮ ঃ 'উত্তৰ-পূব ভাৰত' আৰু পঞ্চম শ্ৰেণীৰ পৰিৱেশ অধ্যয়নৰ পাঠ ১৮ ঃ 'আমাৰ চুবুৰীয়া ৰাজ্যসমূহ'।

**এই অংশৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ ঃ**

ক) ভাৰতত উত্তৰ-পূব ভাৰতৰ অৱস্থান সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।

খ) উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় ইতিহাস আৰু জনগাঁঠনি সম্পৰ্কে আলোচনা কৰিব পাৰিব।

**পাতনি ঃ**

ভাৰত গণৰাজ্যৰ এটা অংগ হ'ল উত্তৰ-পূৰ্বাঞ্চল। ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত সাতখন ৰাজ্যক একেলগে উত্তৰ-পূব ভাৰত বুলি কোৱা হয়। এসময়ত উত্তৰ-পূবৰ সাতখন ৰাজ্য একেটা প্ৰশাসনীয় গোটৰ অধীনত আছিল। পৰৱৰ্তী কালত প্ৰত্যেকখন ৰাজ্যই পৃথকে পৃথকে স্বকীয় ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে। সাতখন ৰাজ্যই পৃথকে স্বকীয় ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰাৰ পূৰ্বে কিছুমান ৰাজ্যৰ অন্য নামেৰেও জনা গৈছিল। উত্তৰ-পূৰ ভাৰতৰ প্ৰত্যেকখন ৰাজ্যৰ জনগোষ্ঠী আৰু জনগাঁথনিও বৈচিত্ৰ্যময়। উদাহৰণস্বৰূপে, অসমৰ উত্তৰত অৱস্থিত অৰুণাচল প্ৰদেশক আগতে উত্তৰ-পূব সীমান্ত অঞ্চল হিচাপে জনা গৈছিল। ১৯৭২ চনত এই অঞ্চলটোৱে পৃথক ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে।

**পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া ঃ**

**কাৰ্য নং - ১ ঃ** (অভিৰোচিত কাৰ্য)

শিক্ষকে ছাত্ৰ-ছাত্ৰীক উত্তৰ-পূৰ ভাৰতৰ মানচিত্ৰৰ নক্সা এখন দলগতভাৱে চাবলৈ দি তাত থকা খালী ঠাইবোৰত

ৰাজ্যৰ নাম আৰু ৰাজধানীৰ নাম লিখিবলৈ দিব। পিছত তলত দিয়া প্ৰশ্নবোৰৰ জৰিয়তে উত্তৰ-পূৰ ভাৰতৰ বিষয়ে আলোচনা কৰিব।

১) উত্তৰ-পূৰ ভাৰতত কেইখন ৰাজ্য সন্নিৱিষ্ট হৈ আছে?

২) উত্তৰ-পূৰ ভাৰতৰ সৰ্ববৃহৎ আৰু আটাইতকৈ সৰু ৰাজ্যৰ নাম কি?

৩) অসমৰ উত্তৰ আৰু দক্ষিণ অংশত থকা ৰাজ্যকেইখনৰ নাম উল্লেখ কৰা।

৪) ত্ৰিপুৰা ৰাজ্যৰ সীমাত কোনখন বিদেশী ৰাষ্ট্ৰ আছে?

ছাত্ৰ-ছাত্ৰীৰ সহাঁৰিৰ আলমত শিক্ষকে উত্তৰ-পূৰ ভাৰতৰ সাতখন ৰাজ্যৰ বিষয়ে থূলমূলকৈ আলোচনা কৰিব আৰু পাঠৰ প্ৰতি অগ্ৰসৰ হ'ব।

**<u>কাৰ্য নং - ২ ঃ</u>**

শিক্ষকে ছাত্ৰ-ছাত্ৰীক সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং-৮ৰ পৃষ্ঠা নং- ৭৪ আৰু ৭৫ অধ্যয়ন কৰিবলৈ দি তলৰ তালিকাখন পূৰাবলৈ দিব।

| ৰাজ্যৰ নাম | ৰাজধানী | মাটিকালি | জিলাৰ সংখ্যা | ৰাজ্যসমূহৰ পূৰ্বৰ নাম |
|---|---|---|---|---|
| | | | | |

ছাত্ৰ-ছাত্ৰীৰ কাৰ্যৰ সমাপনৰ পিছত শিক্ষকে সেইবোৰ নিৰীক্ষণ কৰি উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ বিষয়ে আলোচনা কৰি ছাত্ৰ-ছাত্ৰীক স্পষ্ট ধাৰণা দিবলৈ প্ৰয়াস কৰিব। শিক্ষকে তলৰ তালিকাখনৰ সহায়ত ৰাজ্যবোৰৰ পৌৰাণিক নামৰ লগতে সেই সমূহ ৰাজ্যই স্বকীয় ৰাজ্য হিচাপে স্বীকৃতি পোৱা চন আৰু তাৰিখ সম্পৰ্কে অৱগত কৰাব পাৰিব। যদিওবা অসমকে ধৰি সেই সাতোখন ৰাজ্যক সাতভনীৰ দেশ বোলা হয়, তথাপিও বৰ্তমান ৰাজ্য কেইখনৰ উন্নয়নৰ পৰিকল্পনাৰ সুবিধাৰ্থে চিকিম ৰাজ্যকো উত্তৰ-পূব পৰিষদৰ সদস্য হিচাপে সাঙুৰি লোৱা বুলি ছাত্ৰ-ছাত্ৰীক জনাব পাৰিব। কিন্তু ভৌগোলিক দিশৰ পৰা চিকিমক উত্তৰ-পূৰ্বাঞ্চলৰ অন্তৰ্ভুক্ত কৰিব পৰা নাযায়।

উৎসঃ www.north-east-india.on/information/history.html

| ৰাজ্য | পৌৰাণিক নাম | ৰাজধানী | ৰাজ্য হিচাপে স্বীকৃতি |
|---|---|---|---|
| অৰুণাচল প্ৰদেশ | NEFA (North East Frontier Agency) উত্তৰ-পূৰ সীমান্ত অঞ্চল | ইটানগৰ | ১৯৮৭ চন (ইয়াৰ পূৰ্বে ১৯৭১ চনলৈকে কেন্দ্ৰীয় শাসিত ৰাজ্য। |
| অসম | প্ৰাগজ্যোতিষ /কামৰূপ | শ্বিলং (১৯৭১ চনলৈকে, দিছপুৰ (১৯৭২) | ১৯৪৭ চন। |
| মণিপুৰ | কাংগ্লেইপাক | ইম্ফল | ১৯৭১ চন (ইয়াৰ পূৰ্বে ১৯৫৬ চনত কেন্দ্ৰীয় শাসিত ৰাজ্য। |
| মেঘালয় | খাচী, জয়ন্তীয়া আৰু গাৰো পাহাৰ | শ্বিলং | ১৯৭১ চন। |

| ৰাজ্য | পৌৰাণিক নাম | ৰাজধানী | ৰাজ্য হিচাপে স্বীকৃতি |
|---|---|---|---|
| মিজোৰাম | লুচাই পাহাৰ | আইজল | ১৯৮৭ (পূৰ্বে ১৯৭১ চনত কেন্দ্ৰীয় শাসিত ৰাজ্য)। |
| নাগালেণ্ড | নাগা পাহাৰ | কহিমা | ১৯৬৩ চন। |
| ত্ৰিপুৰা | টিপেৰাহ | আগৰতলা | ১৯৭১ চন (ইয়াৰ পূৰ্বে ১৯৭৫ চনত কেন্দ্ৰীয় শাসিত ৰাজ্য)। |
| চিকিম | চুখিম | গেংটক | ১৯৭৫ চন (পূৰ্বে স্বাধীন ৰাষ্ট্ৰ) |

**কাৰ্য নং - ৩ ঃ**

ছাত্ৰ-ছাত্ৰীক দলত আলোচনা কৰি সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ ৭৬ নং পৃষ্ঠাৰ সহায়ত তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰিবলৈ দিব।

ক) উত্তৰ-পূব ভাৰতৰ মূল প্ৰাকৃতিক বিভাগ কেইটা আৰু কি কি?

খ) উত্তৰ-পূবৰ মালভূমি অঞ্চলৰ অন্তৰ্গত থকা এখন ৰাজ্যৰ নাম।

গ) হিমালয় পৰ্বতমালাৰ অন্তৰ্গত উত্তৰ-পূবৰ ৰাজ্যখনৰ নাম।

ঘ) উত্তৰ-পূব ভাৰতৰ সমভূমি অঞ্চলৰ নাম।

শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ কাৰ্যসমূহ নিৰীক্ষণ কৰি প্ৰয়োজন সাপেক্ষে সংশোধন কৰি পৰিপুষ্টি দিব।

**কাৰ্য পত্ৰ - ৪ ঃ**

প্ৰসংগপুথিৰ সহায়ত তলত দিয়া বিষয়সমূহৰ ওপৰত টোকা প্ৰস্তুত কৰিব।

ক) উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় লোকসকল।

খ) সাতভনীৰ দেশ।

গ) নেফা (NEFA)।

ঘ) উত্তৰ-পূব ভাৰতৰ প্ৰাকৃতিক ঐতিহ্যপূৰ্ব ঠাইসমূহ।

শিক্ষকে প্ৰয়োজন সাপেক্ষে পৰিপুষ্টি দিব।

**মোখনী ঃ**

উত্তৰ-পূব ভাৰতত ভৌগোলিক আৰু সাংস্কৃতিক উভয় দিশতে ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত পৃথক যদিও এটা সময়ত এই সকলোবোৰ ৰাজ্য (চিকিম বাদে) অসমৰ সৈতে সংযুক্ত আছিল। কিন্তু বিভিন্ন কাৰণত এই ৰাজ্যসমূহ পাছলৈ পৃথক ৰাজ্য হিচাপে স্বীকৃতি পায়। কিন্তু সকলোৰে উন্নয়নৰ বাবে প্ৰত্যেক ৰাজ্যই অইন ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে আঠোখন ৰাজ্যৰ উন্নয়নৰ বাবে এখনে আনখন ৰাজ্যৰ লগত সদ্ভাৱ, সম্প্ৰীতি বজাই ৰখাটো অতিশয় গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীসকলে এই কেইখন ৰাজ্যৰ ওপৰত বিভিন্ন ধৰণৰ পুথি, আলোচনী, বাতৰি কাকত আদি অধ্যয়ন কৰি সবিশেষ জনাৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ শিক্ষকসকলে যত্ন কৰাটো বাঞ্ছনীয়।

উৎস ঃ htts//en.wikipedia.org/wiki/Northeast-india.

# <u>আৰ্হি প্ৰশ্ন</u>

১) উত্তৰ দিয়া—

ক) ক্ৰম অনুসাৰে উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ সৃষ্টি উল্লেখ কৰা।

খ) চিকিম ৰাজ্যৰ ওপৰত তথ্য সংগ্ৰহ কৰি তলৰ তালিকাখন পূৰ কৰ।

গ) উত্তৰ পূৰ্বাঞ্চলৰ ওপৰত তথ্য সংগ্ৰহ কৰি তলৰ তালিকাখন পূৰ কৰা।

| ক্ৰ.নং | ৰাজ্যৰ নাম | মূল ভাষা | প্ৰধান জনগোষ্ঠীসমূহ | প্ৰধান নৈ, পাহাৰ, পৰ্বত ইত্যাদি |
|---|---|---|---|---|
| ১ | অসম | | | |
| ২ | মেঘালয় | | | |
| ৩ | মিজোৰাম | | | |
| ৪ | অৰুণাচল প্ৰদেশ | | | |
| ৫ | নাগালেণ্ড | | | |
| ৬ | মণিপুৰ | | | |
| ৭ | ত্ৰিপুৰা | | | |

------------- ❑❑❑ --------------